মৰাণ মহিলা মহাবিদ্যালয় আলোচনী

# প্ৰজ্ঞাশ্ৰী

MORAN MAHILA MAHAVIDYALAYA
ESTD : 1992 Moranhat

২০২১-২০২২ বৰ্ষ

Moran Mahila Mahavidyalaya Magazine, 2021-22



সম্পাদিকা ঃ অংকিতা সোনোৱাল

# মহাবিদ্যালয় সংগীত

কথা ঃ ড° সুখ বৰুৱা
সুৰ ঃ সঞ্জীৱ ভাগৱতী

ছাত্ৰী আমি এই সুন্দৰ জ্ঞান মন্দিৰৰ
ছাত্ৰী আমি মৰাণ মহিলা মহাবিদ্যালয়ৰ
জ্ঞানৰ পূজাৰী আমি হাতত বন্তি লৈ
যাওঁ আগুৱাই আমি যাওঁ (আগুৱাই)
আগুৱাই যাওঁ আমি আগুৱাই।

আলোক সন্ধানী আমি নতুন দিনৰ
যাওঁ আগুৱাই আমি যাওঁ (আগুৱাই)
আগুৱাই যাওঁ আমি আগুৱাই
মুক্তি কামী ছাত্ৰী আমি সমাজৰ
ভেদাভেদ পাহৰি যাওঁ আমি (আগুৱাই)
আগুৱাই যাওঁ আমি...
ছাত্ৰী আমি এই সুন্দৰ জ্ঞান মন্দিৰৰ
ছাত্ৰী আমি মৰাণ মহিলা মহাবিদ্যালয়ৰ।

একবিংশ শতিকাৰ নাৰী আমি
উদাত্ত কণ্ঠ আমাৰ লক্ষ্য আকাশ
যাওঁ আগুৱাই আমি যাওঁ (আগুৱাই)
আগুৱাই যাওঁ আমি
ছাত্ৰী আমি এই সুন্দৰ জ্ঞান মন্দিৰৰ
ছাত্ৰী আমি মৰাণ মহিলা মহাবিদ্যালয়ৰ
জ্ঞানৰ পূজাৰী আমি হাতত বন্তি লৈ
যাওঁ আগুৱাই আমি যাওঁ (আগুৱাই)
আগুৱাই যাওঁ আমি আগুৱাই।




মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুতা জয়শ্ৰী ফুকন
(ভাৰপ্ৰাপ্ত)



মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত লোহিত বৰুৱা
(ভাৰপ্ৰাপ্ত)

# সম্পাদনা সমিতি



অৰুণ বৰুৱা
মুখ্য উপদেষ্টা



জয়শ্ৰী ফুকন
সভানেত্ৰী



দেৱযানী তামুলী
উপদেষ্টা



অংকিতা সোনোৱাল
সম্পাদিকা



মিনুপ্ৰভা লাচন
সদস্যা



সোণালী মেচ
উপদেষ্টা



জুপিতৰা চ'উলো
সদস্যা



ৰিংকী বৰা
সদস্যা

## ২০২১-২০২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকল



ৰিমঝিম মহন
সভানেত্ৰী



সবিতা মুণ্ডা
উপ-সভানেত্ৰী



চুম্পী ৰাজখোৱা
সাধাৰণ সম্পাদিকা



মানসী লাহন
সহ-সাধাৰণ সম্পাদিকা



গীতিমণি গগৈ
সাংস্কৃতিক বিঃ সম্পাদিকা



দীপান্বিতা চেত্ৰী
বহিঃ খেল বিঃ সম্পাদিকা



শিখাৰাণী দেউৰী
আন্তঃ খেল বিঃ সম্পাদিকা



অংকিতা সোনোৱাল
আলোচনী বিঃ সম্পাদিকা



ভাগ্যশ্ৰী শইকীয়া
সংগীত বিঃ সম্পাদিকা



মণিকা ফুকন
সাহিত্য আৰু সুকুমাৰ বিঃ সম্পাদিকা



পপী গগৈ
তৰ্ক বিঃ সম্পাদিকা



জেমী মহন
সমাজ সেৱা বিঃ সম্পাদিকা




সৃষ্টি কোঁৱৰ
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা

# মহাবিদ্যালয়ৰ গৌৰৱ





২০২১ বৰ্ষত মহাবিদ্যালয়ত NAAC PEER TEAM ৰ পৰিদৰ্শন হয় আৰু মহাবিদ্যালয়ে “B” Grade (CGPA - 2.34) লাভ কৰিবলৈ সক্ষম হয়।

## ২০২১-২২ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ কৃতী শিক্ষাৰ্থী



নৈঋতা ফুকন
প্ৰথম শ্ৰেণীৰ দশম স্থান



দীপান্বিতা চেত্ৰী
২০২০-২১ বৰ্ষৰ আন্তঃ মহাবিদ্যালয়ৰ ভাৰ উত্তোলন প্ৰতিযোগিতাত প্ৰথম স্থান





সুৰঞ্জনা ক'ল, দেৱলক্ষী চুক্লেং
২০২১-২২ বৰ্ষৰ আন্তঃ মহাবিদ্যালয়ৰ শক্তি উত্তোলন প্ৰতিযোগিতাত ক্ৰমে কপাৰ আৰু ব্ৰঞ্জৰ পদক লাভ




চুম্পী মেচ
২০২১-২২ বৰ্ষৰ জিলা ভিত্তিক শক্তি উত্তোলন প্ৰতিযোগিতাত কপাৰ পদক লাভ




পেৰিস্যা কোঁৱৰ
২০২১-২২ বৰ্ষৰ যুৱ মহোৎসৱত কণ্ঠেলী প্ৰতিযোগিতাত তৃতীয় স্থান




স্পপ্নালী মিলি
২০২১-২২ বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা খেলুৱৈ



দীপান্বিতা চেত্ৰী
২০২১-২২ বৰ্ষৰ মহাবিদ্যালয়ৰ ষ্ট্ৰং ৱমেন




মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ



অধ্যয়ন কক্ষ

## মৰাণ মহিলা মহাবিদ্যালয় আলোচনী

# প্ৰজ্ঞাশ্ৰী

২০২১-২২ বৰ্ষ

প্ৰীতি আৰু শুভেচ্ছাৰে....

*With love and best wishes*

প্ৰতি,

..............................................................

..............................................................

সম্পাদিকা ঃ অংকিতা সোনোৱাল

*Editor : Ankita Sonowal*

**PRAGYASHREE**

**MORAN MAHILA MAHAVIDYALAYA MAGAZINE : 2021-22**

**Edited by : Ms Ankita Sonowal**

**Published by : Moran Mahila Mahavidyalaya Students' Union (2021-22)**

Moranhat, Charaideo, Assam - 785670

**মৰাণ মহিলা মহাবিদ্যালয় আলোচনী — "প্ৰজ্ঞাশ্ৰী"**

**২০২১-২০২২ বৰ্ষ**

# প্ৰজ্ঞাশ্ৰী

## ঃ সম্পাদনা সমিতি ঃ

সভানেত্ৰী ঃ জয়শ্ৰী ফুকন (অধ্যক্ষা)

মুখ্য উপদেষ্টা ঃ অৰুণ বৰুৱা

উপদেষ্টা ঃ দেৱযানী তামুলী

সোণালী মেচ

সম্পাদিকা ঃ অংকিতা সোনোৱাল

সদস্যা ঃ মিনুপ্ৰভা লাচন, জুপিতৰা চ'উলো, ৰিংকী বৰা

প্ৰকাশক ঃ মৰাণ মহিলা মহাবিদ্যালয় ছাত্ৰী একতা সভা (২০২১-২০২২)

প্ৰকাশকাল ঃ নৱেম্বৰ, ২০২২ চন।

বেটুপাত অংকন ঃ দেৱব্ৰত মহন্ত

প্ৰচ্ছদ, অংগসজ্জা

আৰু অলংকৰণ ঃ ৰঞ্জু বড়া

মুদ্ৰণ ঃ কল্পতৰু অফছেট প্ৰেছ, ১ নং সোণালী পথ, মৰাণ।

E-mail : kalpataruoffsetmoran@gmail.com

**ৰণোজ পেগু**

**মন্ত্ৰী**

শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫


সত্যমেৱ জয়তে



মই জানিবলৈ পাই সুখী অনুভৱ কৰিছো যে নাৰী শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি অহা উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান মৰাণ মহিলা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ দিহা কৰা হৈছে।

শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে আৰু প্ৰগতিৰ পথ দেখুৱাই। মাতৃ হ'ল শিশু সকলৰ প্ৰথম শিক্ষয়িত্ৰী। সেয়েহে মহিলা সকল শিক্ষিত হলেহে তেওঁলোকৰ মাধ্যমেৰে আন এটা প্ৰজন্ম লৈ শিক্ষা সম্প্ৰসাৰিত হ'ব। এই শিক্ষানুষ্ঠান খনে মহিলা সকলৰ  সৰ্বাংগীন উন্নয়ন আৰু প্ৰগতিৰ হকে কাম কৰি আহিছে। মই সম্পাদনা সমিতিৰ সদস্য সকলক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আলোচনী খনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি শিক্ষানুষ্ঠানখনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

(ডাঃ ৰণোজ পেগু)

**Prof. Jiten Hazarika,** M.Sc., Ph.D. PGDOR
**Vice-Chancellor**

**DIBRUGARH UNIVERSITY**
DIBRUGARH I PIN-786 004 I ASSAM
Phone : 0373-2370239 (Off.), Email : vc@dibru.ac.in



# Message

With the vision to upgrade and strengthen education amongst the backward and rural women population of the neighbouring villages and tea gardens located in and around the Moran town of upper Assam, Moran Mahila Mahavidyalaya was established in the year 1992, which still stands as the only higher educational institution meant for women in a greater area, encompassing a vast region. It is a matter of pride for all that since inception, the institution has been imparting higher education to the students with great enthusiasm, flourishing year by year and also has been trying its best to imbibe in the students the qualities of responsible citizens. It is known that to cope up with the National Education Policy, the college is going to introduce some vocational skill based courses very shortly, whereby it would become more vibrant in the days to come.

I am happy to know that the college is going to bring out its annual magazine. Such a magazine can be considered to be a platform for students to improve their reading and writing skills to a great extent and also helps them in providing possible opportunities to improve their creative and imaginary writings. I am hopeful that the magazine would be able to serve its purpose in a meaningful way.

While appreciating your efforts, I would like to congratulate all who have devoted their valuable time and services towards the initiative.

Wishing you all the best,

Date : 17th October, 2022

**(Jiten Hazarika)**

**ড° সুখ বৰুৱা**
*প্ৰতিষ্ঠাপক অধ্যক্ষা,* মৰাণ মহিলা মহাবিদ্যালয়
*সভানেত্ৰী,* পৰিচালনা সমিতি, মৰাণ মহিলা মহাবিদ্যালয়
*সভানেত্ৰী,* অসম মহিলা কবি মঞ্চ
*প্ৰাক্তন সভানেত্ৰী,* সদৌ অসম লেখিকা সমাৰোহ সমিতি
মৰাণহাট, চৰাইদেউ, অসম।

E-mail : sukhabaruah@gmail.com
Phone No. 9435132150

*প্ৰসংগ নং ঃ ......................................*

*তাৰিখ ঃ ২৯/১০/২০২২*



# শুভেচ্ছা বাণী

চৰাইদেউ জিলাৰ মৰাণৰ মাজমজিয়াত ১৯৯২ চনতে প্ৰতিষ্ঠা হোৱা মৰাণ মহিলা মহাবিদ্যালয়েই হৈছে জিলাখনৰ একমাত্ৰ নাৰীৰ উচ্চ শিক্ষানুষ্ঠান। শিক্ষানুষ্ঠানটিয়ে প্ৰতিষ্ঠা কালৰে পৰা প্ৰতিবছৰে ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভাৰ অনুপম স্বাক্ষৰ স্বৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ খনি প্ৰকাশ কৰি আহিছে। এইবছৰো ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সমন্বিতে বাৰ্ষিক মুখপত্ৰ মৰাণ মহিলা মহাবিদ্যালয়ৰ আলোচনী — **'প্ৰজ্ঞাশ্ৰী'** নামকৰণে প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলাইছে। আমি এই শুভ-সংবাদ জানিব পাৰি অত্যন্ত সুখ অনুভৱ কৰিছোঁ। কিয়নো শিক্ষানুষ্ঠান এটাৰ মুখপত্ৰ খনিয়েই হৈছে ইতিহাসৰ দলিল স্বৰূপ। ইয়াত মহাবিদ্যালয়খনৰ বিদ্যায়তনিক দিশৰ লগতে বৌদ্ধিক দিশটোৰো উন্মোচিত হয়। ই সমাজলৈ সূচিত কৰে শুভ-পৰম্পৰা। অনুজ সকলে কঢ়িয়াই আনে অফুৰন্ত প্ৰেৰণাৰ শুভ-বাৰ্তা। সেয়ে, ইয়াৰ মূল্য যথাৰ্থতেই অপৰিসীম। এনে শুভ চিন্তাৰ বাহক সকললৈ অন্তৰভৰা শুভ ইচ্ছা প্ৰেৰণ কৰিলোঁ। আশা কৰিছোঁ ছাত্ৰীসকলৰ চিন্তা-চেতনা, ভাৱ-অনুভূতি সম্পন্ন লেখনিৰে মুখপত্ৰখনি সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ হওঁক। এই কামনাৰে মহাবিদ্যালয়খনিৰ সৰ্বতো প্ৰকাৰৰ উন্নতি বাঞ্ছা কৰিলোঁ।

পুনৰ শুভকামনাৰে -

সুখ বৰুৱা

**(সুখ বৰুৱা)**
প্ৰতিষ্ঠাপক অধ্যক্ষা ও সভানেত্ৰী,
পৰিচালনা সমিতি
মৰাণ মহিলা মহাবিদ্যালয়।

# অধ্যক্ষাৰ একলম ঃ



১৯৯২ চনৰ ৮ জুলাইত প্ৰতিষ্ঠা লাভ কৰা **মৰাণ মহিলা মহাবিদ্যালয়** হৈছে বৃহত্তৰ মৰাণ অঞ্চলৰ একমাত্ৰ নাৰীৰ উচ্চ শিক্ষানুষ্ঠান। এই মহাবিদ্যালয়খনৰ প্ৰথমখন আলোচনী প্ৰকাশ হৈছিল ১৯৯৫-৯৬ চনত তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱৰ পৰা পোৱা অনুদানেৰে।

মহাবিদ্যালয় এখনৰ আলোচনীখনেই হ'ল ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ মূল মঞ্চ। আলোচনী এখনে ছাত্ৰীসকলৰ সুপ্ত সৃষ্টিশীল প্ৰতিভাসমূহৰ বাহ্যিক প্ৰতিফলন ঘটোৱাৰ লগতে লিখা আৰু পঢ়াৰ অভ্যাস গঢ়ি তোলে। ই ছাত্ৰীসকলৰ বৌদ্ধিক দক্ষতা বৃদ্ধি কৰাৰ লগতে জ্ঞানৰ পৰিসৰ বহল কৰাত অৰিহণা যোগায়।

আলোচনীখনৰ জৰিয়তে সমসাময়িক পৰিবেশৰ ওপৰত গল্প, প্ৰবন্ধ, কবিতা, ৰম্য ৰচনা আদিৰ প্ৰকাশৰ দ্বাৰা ছাত্ৰীসকলৰ বৌদ্ধিক প্ৰতিভা সম্পৰ্কে জানিব পাৰি। নিৰ্দিষ্ট সময়ত সন্নিবিষ্ট হোৱা ফটোসম্বলিত তথ্যসমূহৰ জৰিয়তে মহাবিদ্যালয়খনৰ আলোচনীখন হৈ পৰে এক লিখিত দলিল স্বৰূপ।

ক'ভিড-১৯ মহামাৰীৰ বাবে বিগত বছৰকেইটাত মৰাণ মহিলা মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ ধাৰাবাহিকতা ব্যাহত হৈছিল যদিও চলিত বছৰত মহাবিদ্যালয়খনৰ আলোচনীখনৰ প্ৰকাশ সম্ভৱ কৰি তোলাত অৰিহণা যোগোৱা আলোচনী বিভাগৰ সম্পাদিকা অংকিতা সোণোৱালৰ লগতে উপদেষ্টা অৰুণ বৰুৱাৰ প্ৰচেষ্টাক শলাগ লৈছো আৰু আশা ৰাখিছো মৰাণ মহিলা মহাবিদ্যালয়ৰ আলোচনীখন চলিত বছৰৰ পৰা **"প্ৰজ্ঞাশ্ৰী"** নামেৰে প্ৰকাশিত হৈ পঢ়ুৱৈ সমাজৰ আদৰ বুটলিবলৈ সক্ষম হ'ব। তদুপৰি উচ্চ শিক্ষাৰ কঠীয়াতলী স্বৰূপ মহাবিদ্যালয়ত অংকুৰিত হোৱা লেখিকাৰ বীজ এদিন প্ৰস্ফুটিত হৈ অসমৰ সাহিত্য জগতৰ এগৰাকী প্ৰতিষ্ঠিত লেখিকা হ'বলৈ ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিব।

জয়তু মৰাণ মহিলা মহাবিদ্যালয়।

জয়শ্ৰী ফুকন

**(জয়শ্ৰী ফুকন)**
অধ্যক্ষা
মৰাণ মহিলা মহাবিদ্যালয়।

তাৰিখ ঃ ০১/১১/২০২২

# উচৰ্গা

যিসকল চিৰনমস্য ব্যক্তিৰ অহোপুৰুষাৰ্থ অৱদানত
ডেৰকুৰি বসন্ত অতিক্ৰম কৰি
**মৰাণ মহিলা মহাবিদ্যালয়ে**
সগৌৰৱেৰে অক্ষয় বটবৃক্ষৰূপে থিয় হৈ জ্ঞানৰ আলোক বিলাই আছে,
সেইসকল মহান মনিষীৰ লগতে
অধ্যয়ন পিপাসু ছাত্ৰীসকলক শিক্ষাদানৰ ক্ষেত্ৰত
কোনোদিনে ত্ৰুটি নকৰা শ্ৰদ্ধাৰ শিক্ষাগুৰুবৃন্দ
মহাবিদ্যালয়খনৰ গতিশীলতাত সহযোগিতা কৰা কৰ্মচাৰীবৃন্দ তথা
মহাবিদ্যালয়খনিৰ প্ৰতি অকৃত্ৰিম মৰম, আন্তৰিকতা আৰু সহযোগিতা থকা
সুহৃদ ৰাইজৰ হাতত
মৰাণ মহিলা মহাবিদ্যালয়ৰ আলোচনী
***'প্ৰজ্ঞাশ্ৰী'***
উচৰ্গা কৰিলোঁ।

— *সম্পাদনা সমিতি।*

# শ্ৰদ্ধাঞ্জলি

পৱিত্ৰ শিক্ষা মন্দিৰ
মৰাণ মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে
কালৰ বুকুত হেৰাই যোৱা
প্ৰতিজন মহান আত্মাৰ পৱিত্ৰ স্মৃতিত
একাঁজলি অশ্ৰু-অঞ্জলি
নিবেদিলোঁ।

— সম্পাদনা সমিতি।

# সম্পাদকীয়

**অংকিতা সোনোৱাল**
সম্পাদিকা, আলোচনী বিভাগ



সাহিত্য সমাজৰ দাপোণ। এখন সুস্থ পৰিকল্পিত অথবা শৃংখলাবদ্ধ সমাজ আগবাঢ়ি যাবলৈ সাহিত্য অপৰিহাৰ্য। তদুপৰি এটা জাতি সাহিত্যৰ অবিহনে আধৰুৱা, সেয়েহে সাহিত্যৰ ভেঁটি সবল নহ'লে সেই জাতিটো কেতিয়াও সমৃদ্ধিশালী হ'ব নোৱাৰে। সেয়ে সৃষ্টিমূলক কৰ্মৰ মাধ্যমেৰে এখন সুস্থ শক্তিশালী সমাজ প্ৰতিষ্ঠা কৰা সম্ভৱ। আমাৰো তেনে এক প্ৰয়াস মৰাণ মহিলা মহাবিদ্যালয়ৰ আলোচনী 'প্ৰজ্ঞাশ্ৰী'ৰ মাধ্যমেৰে ছাত্ৰীসকলৰ মাজত সাহিত্য প্ৰতিভা বিকাশৰ বাবে যত্ন কৰা হৈছে। ছাত্ৰীসকলৰ মাজত সৃষ্টিশীলতাৰ এক জাগৰণ প্ৰতিষ্ঠা কৰাৰ লক্ষ্য আগত ৰাখি আলোচনীখন প্ৰকাশৰ বাবে আগবাঢ়ি ছিলোঁ আৰু সম্পাদিকাৰ দৰে গধুৰ দায়িত্ব পালন কৰাত কিমানদূৰ সফল হ'লো সেয়া পাঠক সমাজে নিৰূপন কৰিব।

মহাবিদ্যালয়ৰ আলোচনীখন হৈছে ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ এখন উপযুক্ত মঞ্চ। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত বহুতো সুপ্ত প্ৰতিভা লুকাই আছে। কিন্তু এখন উপযুক্ত মঞ্চৰ অভাৱে সেই প্ৰতিভা সমূহৰ সম্ভাৱনীয়তা কেতিয়াবা মৃত্যুও হোৱা দেখা যায়। মহাবিদ্যালয়ৰ আলাচনীখন এনে এক মঞ্চ যাৰ জৰিয়তে তেওঁলোকৰ মাজত লুকাই থকা প্ৰতিভাসমূহ নিঃসংকোচে তুলি ধৰিব পাৰে। ভৱিষ্যতে এই যাত্ৰাৰ জৰিয়তে ছাত্ৰীসকলে নিজ নিজ ক্ষেত্ৰত সফলতাৰে উজলি উঠাৰ বাট বিচাৰি পাব পাৰে।

এখন মহাবিদ্যালয়ৰ বাবে আলোচনী এখন অত্যন্ত গুৰুত্বপূৰ্ণ। আলোচনী এখনে মহাবিদ্যালয়ৰ সম্ভাৱনা আৰু ইতিহাসক সময়ৰ বুকুত ধৰি ৰাখে। অনাগত দিনত আজিৰ সময়খিনিক ধৰি ৰাখিবৰ কাৰণে মহাবিদ্যালয়ৰ আলোচনীখন হ'ব এক নিৰ্ভৰযোগ্য দলিল।

এই সুযোগতে মোৰ তৰফৰ পৰা বিগত ২০১৯-২০ বৰ্ষৰ ছাত্ৰী একতা সভাৰ আলোচনী সম্পাদিকা পাহি ফুকনক আৰু ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়াসকলক কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছোঁ। তেখেতে মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত এক প্ৰচেষ্টা হাতত লৈছিল যদিও ক'ৰণা মহামাৰীৰ বাবে সেয়া সফল হৈ নুঠিল। গতিকে তেওঁৰ আধাতে ৰৈ যোৱা প্ৰচেষ্টাক সফল ৰূপ দিবৰ বাবে সুযোগ দিয়া সদৌটিকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

এইখিনিতে উল্লেখ কৰিব বিচাৰিছো যে মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশৰ দিনৰে পৰা আলোচনীখনৰ নাম 'মৰাণ মহিলা মহাবিদ্যালয় আলোচনী' নামেৰে প্ৰকাশ হৈ আহিছিল। কিন্তু সৌভাগ্য বিষয় এয়ে যে চলিত বৰ্ষৰ পৰা মহাবিদ্যালয়ৰ আলোচনীখনৰ নাম 'প্ৰজ্ঞাশ্ৰী' নামকৰণেৰে প্ৰকাশ হ'ব। এই সুযোগতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা তথা বৰ্তমানৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী ড° সুখ বৰুৱা বাইদেৱে মহাবিদ্যালয়ৰ আলোচনীখন 'প্ৰজ্ঞাশ্ৰী' নামেৰে নামকৰণ কৰাত তেখেতলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে আলোচনীখনৰ প্ৰকাশৰ ক্ষেত্ৰত সততে পৰামৰ্শ আৰু সহযোগিতা আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা জয়শ্ৰী ফুকন বাইদেউকে প্ৰমুখ্য কৰি মুখ্য উপদেষ্টা অৰুণ বৰুৱা, দেৱযানী তামুলী, সোণালী মেচ আৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকললৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন ছপা কৰি দিয়াৰ বাবে কল্পতৰু প্ৰেছৰ স্বত্বাধিকাৰী ৰঞ্জু বড়া আৰু কৰ্মকৰ্তা সকললৈ আমাৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত আলোচনীখনত প্ৰকাশিত লেখাসমূহৰ মন্তব্য লেখক-লেখিকাসকলৰ নিজা। এইক্ষেত্ৰত সম্পাদনা সমিতিৰ কোনো নিজা মন্তব্য নাই। শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।


*'জয়তু মৰাণ মহিলা মহাবিদ্যালয়'।*

***— অংকিতা সোনোৱাল***
আলোচনী সম্পাদিকা
মৰাণ মহিলা মহাবিদ্যালয় আলোচনী ২০২১-২২ বৰ্ষ

# কৃতজ্ঞতা

যিসকলৰ আন্তৰিক প্ৰয়াসৰ ফলত
আলোচনীখনে প্ৰকাশৰ বাট বিচাৰি পালে
সদৌটিলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

— সম্পাদনা সমি



# সূচী পত্ৰ

## চিন্তা শিল্প আৰু বিবিধা ঃ


❍ মৰাণত নাৰী উচ্চ শিক্ষাৰ প্ৰথম খোজ
◆**ড° সুখ বৰুৱা**/১৩
❍ অসমত নাৰী শিক্ষা সম্প্ৰসাৰণত ছোৱালী মহাবিদ্যালয়সমূহৰ ভূমিকা
◆**জয়শ্ৰী ফুকন**/১৬
❍ জনজাতীয় আন্দোলন আৰু ভাৰতবৰ্ষ
◆**অৰুণ বৰুৱা**/২২
❍ জীৱন, জীৱিকা আৰু নিৰ্দেশনা — এক মুকলি চিন্তা
◆**জোৎস্না বুঢ়াগোহাঁই**/২৬
❍ গ্ৰন্থাগাৰ বিজ্ঞান 'পঞ্চনীতি'ৰ আঁতধৰি
◆**বন্তী চুতীয়া**/২৮
❍ 'সতী সাধনী' দিৱসৰ চমু আভাস
◆**দীপিকা গগৈ চুতীয়া**/২৯
❍ ভাৰতীয় অৰ্থনীতিৰ বিৱৰ্তন
◆**দুলুমণি ফুকন**/৩০
❍ ক'ভিড - ১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিতত পৰিৱৰ্তিত শিক্ষা ব্যৱস্থা
◆**আইমী বৰুৱা**/৩৩
❍ শিশু শ্ৰমিক সমস্যা আৰু ইয়াৰ প্ৰতিকাৰ
◆**জয়নব বেগম**/৩৫
❍ ছাত্ৰ আৰু ৰাজনীতি
◆**চুমু মহন**/৩৭
❍ ছাত্ৰ-ছাত্ৰী তথা সন্তানৰ শিক্ষাত শিক্ষক আৰু অভিভাৱকৰ ভূমিকা
◆**ফাৰনাজ বেগম**/৩৯
❍ অসমৰ পৰা অলিম্পিক যাত্ৰা
◆**মীনুপ্ৰভা লাচন**/৪১
❍ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি - ২০২০ এক চমু অৱলোকন
◆**মৰমজান সোণোৱাল**/৪৩


## সাহিত্য আৰু সংস্কৃতি ঃ


❍ চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' ঃ এক পৰিস্থিতিতান্ত্ৰিক অধ্যয়ন
◆**দেৱযানী তামুলী**/৪৫
❍ মিচিং সংস্কৃতিত এভূমুকি
◆**অনামিকা দলে**/৪৭
❍ সোণোৱাল কছাৰীৰ লোক সংস্কৃতি
◆**অংকিতা সোণোৱাল**/৪৯
❍ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা
◆**স্পাই ৰাণী গগৈ**/৫২
❍ অসমীয়া ভাষাৰ আপুৰুগীয়া সম্পদ আৰু হেৰাই যাবলৈ ধৰা অসমীয়া ফকৰা-যোজনা
◆**জয়শ্ৰী ফুকন**/৫৩


## প্ৰসংগ - নাৰী ঃ


❍ নাৰী তুমি অনন্যা
◆**পপী বৰগোহাঁই**/৫৫
❍ নাৰী সবলীকৰণ
◆**প্ৰিয়ম গগৈ**/৫৭
❍ নাৰী সৱলীকৰণৰ প্ৰাসংগিকতা আৰু সামাজিক অন্তৰায়
◆**নিকিতা শইকীয়া**/৫৯
❍ ভাৰতত লিংগভিত্তিক হিংসা আৰু ইয়াৰ প্ৰতিকাৰ
◆**নিহাৰিকা দত্ত**/৬২
❍ নাৰীৰ ভূমিকা আৰু নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা
◆**অনামিকা মহন্ত**/৬৪


## পৰ্যটন ঃ


❍ শিৱসাগৰ জিলাৰ আহোম যুগৰ দ'ল-দেৱালয় সমূহৰ স্থাপত্য-ভাস্কৰ্য
◆**লিমি বৰুৱা**/৬৫
❍ পৰ্যটন সম্ভাৱনীয় চলা গ্ৰাম্য অভয়াৰণ্য
**জুপিতৰা চাউলো**/৭৫


## English Section :


❍ Education of Children with Special Needs (CWSN)
◆**Dikshita Lukhurakhan**/৭৮